জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৫/২০২০

# ৰাজ্যৰ কেইবাগৰাকীও জ্যেষ্ঠ শিল্পীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২৮ এপ্ৰিলত টেলিফোনযোগে ৰাজ্যখনৰ কেইবাগৰাকী প্ৰতিষ্ঠিত শিল্পী, অভিনেতা, কলা-কুশলী, সংগীতজ্ঞৰ সৈতে মত-বিনিময় কৰি তেখেতসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি কুশল-মঙ্গল কামনা কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে সমাজত শিল্পীসকলে সদায়ে সকলোৰে পৰা শ্ৰদ্ধা আৰু মৰ্যাদা লাভ কৰি আহিছে। সেয়েহে এই জটিল পৰিস্থিতিৰ সময়ত শিল্পীসকলে মনোবল অটুট ৰাখি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে সামাজিক দূৰত্ব ইত্যাদি বজাই ৰখাৰ দিশটো শিল্পীসকলে যি জনসচেতনতা সৃষ্টি কৰিলে তাৰ বাবে মুখ্যমন্ত্ৰীয়ে শিল্পীসকলক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সংক্ৰমণৰ প্ৰতিৰোধকল্পে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী তথা সাধাৰণ জনসাধাৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কত জ্যেষ্ঠ শিল্পী কেইগৰাকীৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ শিল্পী কেইগৰাকীয়ে লক্-ডাউনৰ সময়ছোৱাত কেনেদৰে ইতিবাচকভাৱে সময় কটাইছে সেই সম্পৰ্কেও বুজ লোৱাৰ উপৰি শিল্পী কেইগৰাকী যাতে সদায়ে সুৰক্ষিত হৈ থাকি অসমৰ কৃষ্টি-সংস্কৃতিৰ বৰপথাৰলৈ আৰু অধিক বৰঙণি যোগাই যাব পাৰে তাৰে কামনা কৰে।

মুখ্যমন্ত্ৰীয়ে যশস্বী অভিনেতা তপন দাস, পূৰবী শৰ্মা, ভৰেশ বৰুৱা, অঞ্জলি চেত্ৰী, হেমন্ত দত্ত, চন্দ্ৰ মুদৈ, জয়া শীল, চম্পক শৰ্মা, শম্ভু গুপ্তা, বিশিষ্ট কণ্ঠশিল্পী দেৱজিৎ সাহা, দেৱজিৎ চাংমাই, বিশিষ্ট সংগীত পৰিচালক ৰমেন বৰুৱা, বিশিষ্ট কণ্ঠশিল্পী দ্বিপেন বৰুৱা, বিশিষ্ট সংগীত শিল্পী জে পি দাস, অভিনেতা অমৃত প্ৰীতম, জিতু গোস্বামীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

**পুঃডেঃ / বীঃগঃ**
**৩০/৪/২০২০**